**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-April-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***
——————————————————

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। পুৱাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰঙালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ৰাজ্যবাসীক বিহুৰ শুভেচ্ছা জনাইছে।

কাইলৈ মানুহ বিহুৰ দিনা হেঁপাহৰ বিহুৱানখন আগবঢ়াই পৰস্পৰক বিহুৰ ওলগ যাঁচিব। অসমীয়া নতুন বছৰটিক আদৰাৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে জনসাধাৰণে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ৰাজ্যজুৰি ঢোল-পেঁপা-গগনাৰ মাতত নান্দনিক পৰিৱেশৰ সৃষ্টি হৈছে। গ্ৰামাঞ্চলৰ লগতে চহৰাঞ্চলতো বিহু হুঁচৰিৰ আখৰা সম্পূৰ্ণ হৈছে। ৰঙালী বিহু উৎসাহ-উদ্দীপনাৰে উদযাপন কৰাৰ প্ৰস্তুতি হিচাপে ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। বিভিন্ন বিহু কমিটীয়ে বিশ্ব বৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে এটা দিন সুধাকণ্ঠৰ নামত উৎসৰ্গা কৰাৰ লগতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈও শ্ৰদ্ধা নিবেদিব। ১৯৫২ চনতে প্ৰতিষ্ঠা হোৱা লতাশিলৰ গুৱাহাটী বিহু সন্মিলনীয়ে এইবেলি মহাৰজত জয়ন্তী পালন কৰিব। চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এইবাৰ এটা দিন জুবিন গাৰ্গৰ নামত উৎসৰ্গা কৰিব বুলি বিহু সন্মিলনীৰ উদযাপন সমিতিয়ে প্ৰকাশ কৰিছে।

ধেমাজি জিলাৰ গ্ৰাম্যঞ্চলৰ লগতে নিলখ আটকাই নাহৰণি গাঁৱৰ ৰাইজেও পৰম্পৰা ৰক্ষা কৰি আজি পুৱাতে হাতে হাতে মাখিয়তি, দীঘলতি আৰু লাও-বেঙেনা খুৱাই গৰুবিহু পালন কৰিছে।

চৰাইদেউ জিলাতো বিহু উপলক্ষে উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। কৃষকসকলে গৰু বিহুৰ দিনা গৰুক গা ধুৱাই নতুন পঘা দিয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। মাজুলী জিলাতো বিহু উপলক্ষে ৰাইজৰ মাজত ব্যাপক উছাহ পৰিলক্ষিত হৈছে। এইসন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়-

*(বাইট)*

নুনমাটি বিহু সন্মিলনী, পূব গুৱাহাটী বিহু সন্মিলনীয়েও বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে ৰঙালী বিহু উদযাপন কৰিব। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বাবে বেলতলা ব'হাগী উৎসৱ উদযাপন সমিতিয়ে এইবাৰ বিহুৰ অনুষ্ঠান বাতিল কৰিছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। পুৱা চাৰে ১০ বজাত বিশিষ্ট গীতিকাৰ কীৰ্তিকমল ভূঞাই বিহুৰ পতাকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰিব। সাধাৰণ সম্পাদক সমীৰণ ফুকনে মুকলি বিহুত ছহীদ তৰ্পণ কাৰ্যসূচীত ছহীদলৈ শ্ৰদ্ধাঞ্জলি জনাব। এই অনুষ্ঠানত ৰাজ্যখনলৈ শুনাম কঢ়িয়াই অনা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হ'ব। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলৰ লগতে জনগোষ্ঠীয় সাংস্কৃতিক দলে অনুষ্ঠান পৰিৱেশন কৰিব।

কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তত বিহুৰ কৰ্মশালা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ উদ্যোগত অসমী বহাগী মেলা অনুষ্ঠিত হৈছে। তামুলপুৰ জিলাত এই মেলাত স্থানীয় সামগ্ৰীৰ ভালেসংখ্যক বিপণীয়ে অংশ লৈছে। আজি মেলাৰ সামৰণি পৰিব।

০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি ভাৰতীয় সংবিধান প্ৰণেতা ড০ বি আৰ আম্বেডকাৰৰ ১৩৬ সংখ্যক জয়ন্তীত তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। এই উপলক্ষে দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। নতুন দিল্লীৰ সংসদ ভৱন চৌহদত ড০ বি আৰ আম্বেডকাৰলৈ শ্ৰদ্ধা তৰ্পণৰ উদ্দেশ্যে আজি পুৱা বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

১৮৯১ চনৰ ১৪ এপ্ৰিলত মধ্যপ্ৰদেশত জন্মগ্ৰহণ কৰা ড০ বি আৰ আম্বেডকাৰে তেওঁৰ সমগ্ৰ জীৱন সামাজিক অসমতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে মহিলা, শ্ৰমিক তথা উপান্ত শ্ৰেণীৰ লোকসকলক সমান অধিকাৰ প্ৰদানৰ উদ্দেশ্যে উছৰ্গা কৰে। ১৯৯০ চনত তেওঁক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মান প্ৰদান কৰা হয়।

০০০০০০

অধ্যাপক ৰমেশ চন্দ্ৰ ভৰদ্বাজ আৰু প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীলৈ ২০২৬ বৰ্ষৰ অষ্টম গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বঁটা আগবঢ়োৱা হৈছে। অহা ১৮ এপ্ৰিলত গুৰুদেৱ কালিচৰণ ব্ৰহ্ম জয়ন্তী উপলক্ষে আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। শিক্ষা, সমাজসেৱাকে ধৰি কেইবাটাও বিষয়ত আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে কালিচৰণ ব্ৰহ্ম ন্যাসে এই বঁটা প্ৰদান কৰি আহিছে। বঁটাপ্ৰাপক অধ্যাপক ভৰদ্বাজ ভাৰতীয় দৰ্শনৰ পণ্ডিত আৰু তিনি দশকৰো অধিক কাল দিল্লী বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক অভিজ্ঞতাৰে পৰিপুষ্ট। তেওঁ মহৰ্ষি বাল্মিকী সংস্কৃত বিশ্ববিদ্যালয়ত প্ৰথমে সংস্কৃত বিষয়ৰ মুৰববী আৰু পাছলৈ উপাচাৰ্য হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। বৈদিক অধ্যয়ন, মীমাংসা দৰ্শন আৰু ইণ্ডো-ইউৰোপীয় গৱেষণাৰ ক্ষেত্ৰত তেওঁ বিশেষ বৰঙণি আগবঢ়াইছে। ইপিনে, প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীক সামাজিক, ৰাজনৈতিক ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। ১৯৮৩ চনৰ পৰা ১৯৮৬ চনলৈ তেওঁ সদৌ বড়ো ছাত্ৰ সন্থাৰ সভাপতি হিচাপে দায়িত্ব নিৰ্বাহ কৰিছিল। ১৯৯১ চনৰ পৰা ১৯৯৬ আৰু ২০০১ চনৰ পৰা ২০১১ চনলৈ তেওঁ অসম বিধানসভাৰ সদস্য হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০০

**সমাপ্ত**